**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 9-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু এংগোলাৰ ৰাষ্ট্ৰপতি জোৱাও লৰেনকোই লোৱান্দাত দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে স্নাতক ডিগ্ৰীধাৰী শিক্ষাৰ্থীসকলক হাৰ নমনাকৈ নিষ্ঠা সহকাৰে কঠোৰ পৰিশ্ৰম কৰি জীৱনৰ বাটত সফলতা অৰ্জন কৰিবলৈ আহ্বান জনাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডৰ ডেৰাদুনত ৰাজ্যখনৰ প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে।

৪। বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আজি শেষৰ দিনা বিভিন্ন ৰাজনৈতিক দলৰ নেতা তথা তাৰকা প্ৰচাৰকসকলে ৰাজ্যখনত প্ৰচাৰ অভিযান চলায়।

*আৰু*

৫। কণ্ণিৰেৰা আন্তঃৰাষ্ট্ৰীয় প'ল' কাপৰ ফাইনেলত ভাৰতে আৰ্জেণ্টিনাক পৰাস্ত কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু এংগোলাৰ ৰাষ্ট্ৰপতি জোৱাও লৰেনকোই আজি লোৱান্দাত অৱস্থিত ৰাষ্ট্ৰপতি ভৱনত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উপস্থিতিত দেশখনৰ ৰাষ্ট্ৰপতি ভৱনত তেওঁক উষ্ম আদৰণি জনোৱা হয়। দুয়োগৰাকী নেতাই এংগোলা আৰু ভাৰতৰ মাজৰ বহুপাক্ষিক অংশীদাৰিত্ব গভীৰ কৰি তোলাৰ লক্ষ্যৰে ব্যাপকভাৱে পৰ্যালোচনা কৰে। আলোচনাৰ সময়ছোৱাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দুয়োখন দেশৰে অগ্ৰাধিকাৰ সম্পন্ন একাধিক ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে বিশেষকৈ কৃষিখণ্ডত বীজ আৰু সাৰ, শ্ৰেষ্ঠ সংসদীয় আচাৰ-আচৰণ, তেল উদঘাটন আৰু শোধন, যোগাযোগ আৰু পৰিবহন আন্তঃগাঁথনি আদি বিভিন্ন বিষয়ত সম্ভাৱনীয় সহযোগিতাৰ বিষয়ে আলোকপাত কৰে। পাৰস্পৰিক বিকাশ আৰু সমৃদ্ধিৰ বাবে এংগোলাৰ সৈতে ভাৰতে একেলগে কাম কৰি যোৱাৰ বাবে সাজু হৈ আছে বুলিও ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ লগতে দক্ষতা বিকাশ আৰু প্ৰশিক্ষণ, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, প্ৰতিৰক্ষা সহযোগিতা আৰু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ সন্দৰ্ভতো বিশেষ গুৰুত্ব আৰোপ কৰে। মীণ পালন, একুৱা কালছাৰ, সামুদ্ৰিক সম্পদ খণ্ডত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে দুখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এংগোলাৰ ৫০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে লোৱান্দাত উপস্থিত থাকিবলৈ পাই তেওঁ অত্যন্ত সুখী বুলি

এখন প্ৰেছ বিবৃতি যোগে ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। এংগোলাৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৪০ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত এই বছৰটো দুয়োখন দেশৰ বাবে এটা অত্যান্ত গুৰুত্বপূৰ্ণ বছৰ হিচাপে পৰিগণিত হৈছে বুলিও তেওঁ কয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এংগোলাত অহা মঙলবাৰলৈ থাকিব। তেওঁ এংগোলাৰ সদনত ভাষণ দিয়াৰ লগতে দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও বাৰ্তালাপ কৰিব।

ইয়াৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই বটছোৱানা ভ্ৰমণ কৰিব। বটছোৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক বিষয়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে বাৰ্তালাপ কৰিব। দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে দেশ দুখনৰ মাজত বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, শক্তি, কৃষি, স্বাস্থ্য, ফাৰ্মাচিউটিকেল, প্ৰতিৰক্ষা আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক আদি একাধিক বিষয় সন্দৰ্ভত আলোচনা কৰিব।

উল্লেখযোগ্য যে শ্ৰী দ্ৰৌপদী মুৰ্মুৱে হ'ব আফ্ৰিকান দেশ দুখনলৈ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি। ভাৰতে গোলকীয় দক্ষিণত শক্তিশালী অংশীদাৰিত্ব প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই ভ্ৰমণে অৰিহণা আগবঢ়াব।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে স্নাতক ডিগ্ৰীধাৰী শিক্ষাৰ্থীসকলক হাৰ নমনাকৈ নিষ্ঠা সহকাৰে কঠোৰ পৰিশ্ৰম কৰিবলৈ আৰু তেওঁলোকৰ জীৱনৰ বাটত সফলতা অৰ্জন কৰিবলৈ আহ্বান জনাইছে। কৰ্ণাটকৰ মহীশুৰত জে এছ এছ একাডেমী অব হায়াৰ এডুকেশ্যনৰ স্নাতক ডিগ্ৰীধাৰী শিক্ষাৰ্থীসকলক সম্বোধন কৰি তেওঁ এইদৰে কয়। ভাগৱত গীতাৰ উক্তিৰে তেওঁ শিক্ষাৰ্থীসকলক ফলাফলৰ কথা চিন্তা নকৰি নিজৰ কৰ্তব্য সম্পাদন কৰিবলৈ আহ্বান জনায়। তেওঁ শিক্ষাৰ্থীসকলক মহাবিদ্যালয়ত আহৰণ কৰা শিক্ষাক ব্যৱহাৰ কৰি লক্ষ্যত উপনীত হ'বৰ বাবে চেষ্টা চলাবলৈ কয়। সফলতা বা বিফলতাক হৃদয়ত স্থান দিয়াৰ বিপৰীতে প্ৰতিবাৰেই এখন সুখী অন্তৰেৰে একান্ত মনোযোগেৰ নিজৰ কাৰ্য সম্পাদন কৰিব লাগে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। স্বামী বিবেকানন্দৰ লক্ষ্যপ্ৰাপ্তি নোহোৱালৈকে জাগ্ৰত হোৱা, নিজৰ উত্থান ঘটোৱা আৰু কেতিয়াও থমকি নোৰোৱাৰ উক্তিৰে শ্ৰী ৰাধাকৃষ্ণনে শিক্ষাৰ্থীসকলক আনৰ ভাল কথাবোৰ গ্ৰহণ কৰিবলৈ কিন্তু আনৰ উন্নতিৰ সৈতে নিজৰ তুলনা নকৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে বিফলতাই প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ মানুহক অধিক শক্তিশালী কৰি  তোলে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষাৰ্থীসকলক মোবাইলৰ নিচাৰ পৰা নিজকে দূৰত ৰাখিবলৈ উপদেশ দিয়াৰ লগতে জ্যেষ্ঠ শিক্ষক আৰু অভিভাৱকসকলক সদায় সন্মান কৰিবলৈ কয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডৰ ডেৰাদুনত ৰাজ্যখনৰ প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে শ্ৰী মোদীয়ে ৮ হাজাৰ ১৪০ কোটিৰো অধিক টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহ খোৱাপানী, জলসিঞ্চন, কাৰিকৰী শিক্ষা,  শক্তি, নগৰ উন্নয়ন, ক্ৰীড়া আৰু দক্ষতা বিকাশকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ সৈতে জড়িত। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শ্ৰী মোদীয়ে ২৮ হাজাৰৰো অধিক কৃষকৰ বেংক

একাউণ্টলৈ ৬২ কোটিতকৈও অধিক টকাৰ বিত্তীয় সাহায্য মুকলাই দিয়ে। শ্ৰী মোদীয়ে কয়, যে ৯ নৱেম্বৰৰ দিনটো উত্তৰাখণ্ডৰ জনসাধাৰণৰ দীৰ্ঘ্যদিনীয়া সংগ্ৰামৰ ফল। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক ডাক টিকতো মুকলি কৰে। উত্তৰাখণ্ডৰ প্ৰতিষ্ঠা হোৱাৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এখন সমাৱেশত ভাষণ দি জনসাধাৰক অভিনন্দন জনায়। যোৱা ২৫ টা বছৰত ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ উন্নয়ন সাধন কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী মোদীয়ে ৰাজ্যখনৰ সামৰ্থ সম্প্ৰসাৰিত কৰাটোত গুৰুত্ব দিয়াৰ প্ৰয়োজন বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী কয়, যে দ্বৈত ইঞ্জিনৰ চৰকাৰখনে ৰাজ্যখনক উন্নয়নৰ এক নতুন উতাত উপনীত কৰাবলৈ নিৰন্তৰ কাম কৰি আছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ স্থানীয় সামগ্ৰীসমূহ ভোকেল ফ'ৰ লোকেল অৰ্থাৎ স্থানীয় সামগ্ৰী ব্যৱহাৰ অভিযানৰ সৈতে জড়িত আৰু ৰাজ্যখনৰ ১৫ চা কৃষিজাত সামগ্ৰীয়ে জি আই টেগ অৰ্থাৎ ভৌগোলিক সূচাংক লাভ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰি বিভিন্ন অংশীদাৰসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আজি শেষৰ দিনা বিভিন্ন ৰাজনৈতিক দলৰ নেতা তথা তাৰকা প্ৰচাৰকসকলে ৰাজ্যখনত প্ৰচাৰ অভিযান চলায়। আজি সন্ধিয়া ছয় বজাত প্ৰচাৰ অভিযানৰ অন্ত পৰে। এন ডি এ আৰু মহামিত্ৰজোঁটৰ নেতাসকলে বিভিন্ন সমষ্টিত নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। বিজেপিৰ তাৰকা প্ৰচাৰকসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাস, ৰাজনাথ সিং, শিৱৰাজ সিং চৌহান আদিয়ে বিভিন্ন নিৰ্বাচনী সভাত ভাষণ দিয়ে। জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কিষাণগঞ্জ আৰু পুৰ্ণিয়াত মহামিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কাইমুৰত এখন নিৰ্বাচনী সভাত অংষ লৈ জনতাদল ইউনাইটেডৰ সভাপতি তথা মুখ্যনমন্ত্ৰী নিতীশ কুমাৰে তেওঁৰ শাসনকালত ৰাজ্যখনৰ শক্তিখণ্ডৰ উন্নয়ন হোৱা বুলি উল্লেখ কৰে। ৰাজ্যখনৰ জনসাধাৰণে ১২৫ ইউনিট বিদ্যুত শক্তি বিনামূলীয়াকৈ লাভ কৰিবল সক্ষম হৈছে বুলি তেওঁ উল্লেখ কৰে। সকলোৰে কল্যাণৰ কথা মনত ৰাখি সিদ্ধান্ত গ্ৰহণ কৰাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে এন ডি এ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে উন্নয়নমূলক কামকাজসমূহৰ গতি ত্বৰান্বিত হ'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগীআদিত্য নাথে আৰাৰিয়াৰ চিক্তিত এখন নিৰ্বাচনী সভাত ভাষণ দি ৰাজ্যখনত এন ডি এ শাসন কালত ৰে'ল আৰু বিমান যোগাযোগ উন্নীত হোৱা বুলি প্ৰকাশ কৰে। মহামিত্ৰজোঁটৰ মুখ্যমন্ত্ৰীপদৰ প্ৰাৰ্থী তেজস্বী যাদৱে কাইমুৰত এখন নিৰ্বাচী সভাত ভাষণ দি তেওঁৰ মাত্ৰ ১৭ মহীয়া ছুটি শাসন কালত পাঁচ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰা বুলি উল্লেখ কৰে।

অহা মঙলবাৰে হ'বলগীয়া ৮টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে চলোৱা প্ৰচাৰ অভিযানৰো আজি সামৰণি পৰে। উপ-নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটা হৈছে- জম্মু-কাশ্মীৰৰ বাদগাম আৰু নাগ্ৰোতা, ৰাজস্থানৰ আন্তা, ঝাৰখণ্ডৰ ঘাটছিলা, তেলেংগানাৰ জুবিলি হিলছ, পাঞ্জাবৰ তাৰ্নতাৰাং, মিজোৰামৰ দাম্পা আৰু ওড়িশাৰ নৌপাড়া সমষ্টি। এই সমষ্টিকেইটাৰ ভোটগণনা অহা ১৪ নৱেম্বৰত কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভগৱান বুদ্ধৰ অৱশেষক ভাৰতৰ পৰা আন্তৰিকতাৰে আদৰণি জনোৱা বাবে ভূটানৰ জনসাধাৰণ তথা নেতৃত্বক কৃতজ্ঞতা জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে

এই অৱশেষ শান্তি, মমতা আৰু সম্প্ৰীতিৰ  কালজয়ী বাৰ্তাৰ প্ৰতীক। তেওঁ লগতে কয়, যে ভগৱান বুদ্ধৰ শিক্ষা ভাৰত আৰু ভূটানৰ আধ্যাত্মিক ঐতিহ্যৰ পৱিত্ৰ যোগসূত্ৰ।

০০০০০০০

কগ্নিৰেৰা আন্তঃৰাষ্ট্ৰীয় প'ল' কাপৰ ফাইনেলত ভাৰতে  জয়পুৰ প'ল' গ্ৰাউণ্ডত অনুষ্ঠিত খেলত বিশ্বৰ শীৰ্ষ স্থানৰ দল আৰ্জেণ্টিনাক ১০-৯ ফলাফলত পৰাস্ত কৰি ঐতিহাসিক বিজয় সাব্যস্ত কৰিছে। এই জয়ে নিজৰ জন্মস্থানত প'ল'ৰ পুনৰ উদ্ধাৰৰ আশা উজ্জীৱিত কৰি তুলিছে। ছ'ৱাই পদ্মনাভ সিং আৰু কেপ্তেইন সিমৰন সিং ছেৰগিল নেতৃত্বাধীন ভাৰতীয় দলটোৱে খেলখনত নিজৰ অতুলনীয় কৌশল আৰু প্ৰতিভা প্ৰদৰ্শন কৰে। এই বিজয়ে ভাৰতৰ যুৱ প্ৰজন্মৰ অংশগ্ৰহণ বৃদ্ধিৰ লগতে খেলবিধৰ সৈতে সম্পৰ্ক ব্যাপক কৰি তুলিব বুলি আশা কৰা হৈছে।

০০০০০০০

সমাপ্ত